**2 0 1 6**

ASSAMESE

( Major )

Paper : 5.5

**( Sahitya Samalochana )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) ভৰত মুনিয়ে 'নাট্যশাস্ত্ৰ'ত কেইবিধ ৰসৰ বিষয়ে উল্লেখ কৰিছে ?

(খ) 'ধ্বন্যালোক' গ্ৰন্থখনিৰ প্ৰণেতা কোন ?

(গ) ট্ৰেজেডিৰ সংজ্ঞা প্ৰথমে কোনে আগবঢ়াইছিল ?

(ঘ) ''ৰাক্যম্ ৰসাত্মকং কাৰ্যম'' কাব্য সম্পৰ্কে এই অভিমতটো কোনে আগবঢ়াইছিল ?

(ঙ) অসমীয়া সাহিত্যত কোনে পোনপ্ৰথমে চনেট (Sonnet) ৰচনা কৰিছিল ?

(চ) প্ৰতীকবাদৰ জন্ম ক'ত হৈছিল ?

(ছ) হাড়্‌ছনৰ মতে নাটকৰ উপাদান কেইবিধ ?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) অনুভাৱ কেইবিধ আৰু কি কি?

(খ) শৃংগাৰ ৰস আৰু হাস্যৰস কোন দুবিধ স্থায়ীভাৱৰ পৰা উৎপত্তি হয়?

(গ) চুটিগল্পৰ দুটা উপাদান উল্লেখ কৰা।

(ঘ) অভিব্যক্তিবাদৰ উদ্ভৱ ক'ত আৰু কেতিয়া হৈছিল?

৩। (ক) ৰস কি? ৰস সাধাৰণতে কেইবিধ আৰু কি কি? কোনবিধ ৰসক শ্ৰেষ্ঠ ৰস বুলি কোৱা হয়, আলোচনা কৰা। ২+২+৬=১০

অথবা

(খ) ধ্ৰুৱবাদ বুলিলে কি বুজা? ধ্ৰুৱবাদৰ বৈশিষ্ট্যৰ বিষয়ে বুজাই লিখা। ৪+৬=১০

৪। (ক) ৰমন্যাসবাদ (Romanticism) কি? ৰমন্যাসবাদৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ২+৮=১০

অথবা

(খ) প্ৰতীকবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। ১০

( Continued )



৫। (ক) কবিতাৰ শ্ৰেণীবিভাগ দুটা কি কি? দুয়োবিধৰ বিষয়ে এটি আলোচনা দাঙি ধৰা। ২+৮=১০

অথবা

(খ) উপন্যাসৰ উপাদানবোৰৰ বিষয়ে বুজাই লিখা। ১০

৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

বিভাৱ ; প্ৰকৃতিপ্ৰীতি ; নাটকীয় তিনি ঐক্য ; মহাকাব্য ; প'য়েটিক্‌চ (Poetics) ; পৰিৱেশ-প্ৰধান চুটিগল্প।

★★★